কাণখোৱা

প্ৰকাশক

শ্ৰীগঙ্গাধৰ বৰকটকী
বৰকটকী কোম্পানী
যোৰহাট

যোৰহাট ; যোগমায়া-প্ৰিণ্টিং-ওয়াৰ্কসত,
ব্ৰহ্মচাৰী সতীশ দ্বাৰা মুদ্ৰিত

1926

মূল্য—৵০

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ

কাণখোৱা

DIRECTORATE

"কৃষ্ণায় যাদৱেন্দ্ৰায় জ্ঞানমুদ্ৰায় যোগিনে।
নাথায় রুক্মিণীনাথ নমো বেদান্তবেদিনে॥"

ঘোষা

ঘুমটি যাযোৰে, অৰে কানাই, তুৰে কানখোৱা আসে।
সকল শিশুৰ কাণ খাই খাই, আসয় তোমাৰ পাশে॥

পদ

মায়ৰ বচন, শুনি পাশ চাপি,
হাসিয়া বোলে কানাই।
কেনেকোৱা গোটে, কাণ খাই ফুৰে,
চিনোৱা হাবলি আই॥
তাৰ নাম শুনি, ঘুমুটি নাসয়,
ডাৰ কাম্পে মোৰ বুক।

দেখিলে লৰড়ি, পলাইবাক পাৰি
সত্বৰে চিনোৱা মোক ॥

অনাদি স্বৰূপে, জগত স্ৰজিলোঁ,
চৰাচৰ ভেদ কৰি।
সমস্তে জগত, প্ৰতিপাল কৰি,
আত্মাৰূপে আছোঁ ধৰি ॥

ব্ৰহ্মা মহেশ্বৰ, আদি কৰি যত,
সমস্তে মোৰ স্ৰজনা।
মই নজানিলোঁ, সিটো কাণখোৱা,
স্ৰজিলে কোনজনা ॥

বিষ্ণুৰূপে মই, বৈকণ্ঠৰ হন্তে,
চড়িয়া গৰুড় স্কন্ধে ;
সমস্তে জগত, বিচাৰি চাহিলোঁ,
ফুৰিযা জাতি প্ৰবন্ধে ॥

স্বৰ্গী নৰকী, দুৰ্জ্জন মহন্ত,
বিচাৰি ফুৰিলোঁ পাচে।
সিয়োকালে মই, লগ নপাইলোহোঁ
কাণখোৱা কৈত আছে ॥

প্ৰথমতে মই, অৱতাৰ ভৈলোঁ,
দিব্য মৎস্যৰূপ ধৰি।
চৰিয়ো বেদক, পাতালৰ হন্তে,
আনিলো সত্বে উদ্ধাৰি ॥

পাছে সেহি ঠায়, বঢ়াই মৎস্য কায়,
যুড়িলো সাগৰ তীৰ।
সিয়ো কালে মই, লগ নপাইলোহোঁ,
কাণখোৱা কেন বীৰ॥

কূৰ্ম্মৰূপে মই, মন্দৰ ধৰিলোঁ,
সাগৰ মথিবে লাগি।
যত জলচৰ, থলকি সাগৰ,
সমস্তে পলাইল ভাগি॥

কালকূট বিষ, উচ্চৈঃশ্ৰবা হয়,
লক্ষ্মীয়ো বজাইল পাচে।
সিয়ো কালে মই, লগ নপাইলোহোঁ,
কাণখোৱা কৈত আছে॥

বৰাহ স্বৰূপে, পৃথিবী উদ্ধৰি,
আনিলোঁ দন্তৰ আগে।
হিৰণ্যাক্ষ নামে, বীৰক বধিলোঁ,
যুদ্ধ কৰি বড় ৰাগে॥

মোৰ ভয়ে যত, অসুৰ পলাইল,
কম্পি গৈলা ত্ৰিজগত।
সিয়ো কালে মই, লগ নপাইলোহোঁ,
কাণখোৱা কেন মত॥

স্ফটিকৰ স্তম্ভে, বাজ ভৈলোঁ পুনু,
নৰসিংহ ৰূপ ধৰি।
হিৰণ্যকশিপু, বীৰক বধিলোঁ,
নখ অগ্রে হিয়া ছিৰি॥

জটাৰ চাটত, মেঘ উড়ুৱালোঁ,
মেদিনী কম্পাইলোঁ বলে।
সিযো কালে মই, লগ নপাইলোহোঁ,
কাণখোৱা কাক বোলে॥

বামন স্বৰূপে, দেব কার্য্য সাধি,
বলিক ছলিবে গৈলোঁ।
দান লওঁ বুলি, তিনি পদ ভূমি,
ত্রৈলোক্য যুড়িয়া লৈলোঁ॥

উপায় কৰিযা, বলিক ছলিযা,
পঠাইলোঁ পাচে পাতালে।
কাণখোৱা নামে, বীৰ গোট আছে,
নুশুনিলোঁ সিয়োকালে॥

পশুৰ্বামৰূপে, তিনি সাত বাৰ,
পৃথিবী পৰ্য্যাটি ফুৰি।
ক্ষত্রিয়ক কাটি, নিক্ষত্রিয় কৈলোঁ,
হাতত কুঠাৰ ধৰি॥

ক্ষত্ৰিয়ৰ নাম নথৈলোঁ সংগ্ৰাম
কাটিলোঁ পেটৰ চৰা ;
সিয়ো কালে মই, লগ নপাইলোঁহেঁ
কাণখোৱা কেনেকুৱা ॥

ৰামৰূপে মই, সীতাৰ নিমিত্তে,
সাগৰ হৈলোঁ পাৰ।
সবংশে ৰাৱণ, ৰাক্ষস বধিলোঁ,
খণ্ডিলোঁ ভূমিৰ ভাৰ ॥

দেৱাসুৰ নৰ, ভালুক বানৰ,
সবে আইল মোৰ কাছে।
লঙ্কা নগৰাত, কাণে নুশুনিলোঁ,
কাণখোৱা কৈত আছে ॥

হলী ৰামৰূপে, লাঙ্গল ধৰিলোঁ,
সম কৰি খাব ৰাম।
সমস্তে পৃথিবী বাই ৰটি থৈলো;
লৈলোঁ হলধৰ নাম ॥

সিয়ো কালে মই লগ নপাইলোহেঁ৷
আবে মনে মনে গুণে।
কাণখোৱা নামে বীৰ গোট আছে
আজি তযু মুখে শুনু ॥

আসিয়া ইবাৰ　　　　কৃষ্ণ অৱতাৰ
হুয়া আছোঁ তয়ু ঘৰে।
কাণখোৱা নাম　　　　শুনি মোৰ গাৱ
তৰতৰি কাম্পে ডৰে ॥

ঘুমটিৰ ছলে　　　　নিচুকিয়া মই
চক্ষু মেলি আছোঁ চাই।
কেনেকুৱা গোটে　　　　কাণ খাই ফুৰে
চিনায়োক মোক আই ॥

কৃষ্ণৰ বচন　　　　শুনিয়া যশোদা
ভয় হুয়া ৰহি আছে।
একোৱে উত্তৰ　　　　দিবাক নপাৰি
হাসি মাতিলন্ত পাচে ॥

মিছা সে বুলিয়া　　　　মুখে স্তন দিয়া
কৃষ্ণক সাবটি ধৰি।
শ্ৰীধৰ কন্দলি　　　　কহে কৃষ্ণ কেলি
ডাকি বোলা হৰি হৰি ॥

ঘোষা

উঠা উঠা হৰি, এ চান্দবয়ন, অ'হৰি পদ্মনয়ন।
পুহাইল নিশি, মেলা ধেনুগণ, উঠা উঠা হৰিএ॥

পদ

এক দিনা প্ৰতি ভকত বৎসল
কৃপাময় দেৱ হৰি।
ৰজনী প্ৰভাতে শু'তয়া আছন্ত
মিছা অপমান কৰি॥

সেহি সময়ত গোপ শিশু যত
আসি বোলে যশোদাক।
খেড়ি খেলাইবাক লাগয় সুন্দৰা
সত্বৰে কৃষ্ণক ডাকঁ।

শুনিয়া তেখনে নন্দৰ ঘৰণী
কৃষ্ণক ডাকিবে লৈলা।
এত নিদ্ৰা কৰ কিসৰ ভাগৰ
আদিত্য উদয় ভৈলা॥

উঠিয়ো কৃষ্ণাই হাবলি বোপাই
ৰোষ তাপ ত্যজি মনে।

পুহাইল ৰজনা উঠা যদুমণি
বুলি ডাকে শিশু গণে ।

যশোদাৰ বাণী শুনি চক্ৰপাণি
বোলন্ত নমাতা মায় ।
তোমাৰ আতাই বোপাই বোলান্ত
নুজুৰাই মোৰ গা'য় ॥

দিন চাৰি পাঞ্চ নুঠিবোঁ নখাবোঁ
নযাইবোঁ গোৰক্ষ স্থান ।
দুনশ কলঙ্ক দুঃখ সুমৰন্তে
নসহে মোৰ পৰাণ ॥

মই নাৰায়ণ জগত কাৰণ
তুমি গোৱালৰ জায় ।
তথাপি তোমাক দেখন্তে ডৰত
উড়ি যায় মোৰ জায় ॥

যত খাওঁ দাই তেভো শুখাই যাওঁ
নাহি মোৰ উদগতি ।
হাত মুষ্টি যেন কঙ্কাল খানি যে
বান্ধত ছিণ্ডিল অতি ॥

নিজৰূপে মই অনন্ত ব্ৰহ্মাণ্ড
স্ৰজি আছো লীলা কৰি ।
সমস্তে জগত প্ৰতিপাল কৰি
আত্মাৰূপে আছো ধৰি ॥

ব্ৰহ্মা আদি কৰি যত চৰাচৰ
মোকে সেৱা কৰি যাই।
তোৰ ঘৰে আসি গৰু চাৰি ফুৰোঁ।
কৰকৰা ভাত খাই॥

নাৰায়ণ ৰূপে অনন্ত শয্যাত
জলত কৰি শয়ন।
নাভি পদ্ম হন্তে ব্ৰহ্মা উপজাইলোঁ।
স্ৰজিলোঁ তিনি ভুবন॥

বেদক পঢাইলোঁ তত্ত্ব জ্ঞান কৈলোঁ।
অজ্ঞান কৰিলোঁ দূৰ।
তোহৰ ঘৰত যতেক ঐশ্বৰ্য্য
সবে ভৈল মসি মূৰ॥

হংস ৰূপে মই স্বৰ্গক কম্পাইলে।
ব্ৰহ্মাৰ সভাত ৰৈলোঁ।
মুনি সমস্তৰ সংশয় ছেদলোঁ।
আত্ম-তত্ত্ব জ্ঞান কৈলোঁ॥

মুনি সিদ্ধ সবে সাদৰিলে মোক
প্ৰণামিলা সৃষ্টি কৰে।
আবে আসি মই কৰাতৰ কাজো
নভৈলোঁ তোহোৰ ঘৰে॥

ব্যাস ৰূপে মই চাৰিয়ো বেদৰ
কৰিলোঁহোঁ শাখা-ভেদ।
জ্ঞান কৰ্ম্ম ভক্তি প্ৰবৃত্তি নিবৃত্তি
দিলোঁ সবে পৰিচ্ছেদ॥

বেদৰ ৰহস্য ভাগৱত ধৰ্ম্ম
নিবন্ধিয়া থৈলোঁ পুনু।
মূৰ্খতো অধিক কৰি আবে তুমি
মোক বোলা জড় কানু॥

অসুৰৰ ভয়ে পূৰ্ব্বে দেৱ গণে
চিন্তিলে গৈয়া আমাক।
চতুৰ্ভুজ ৰূপে আসি তাৱ ক্ষণে
দেখা দিলোঁ তাসম্বাক॥

মোৰ ৰূপ দেখি চমক লাগিল
ত্ৰিদশে পৰিল ঢলি।
আবে তুমি মোক বিগুটিয়া মাতা
কলিয়া কলিয়া বুলি॥

মোহিনী স্বৰূপে সাগৰ মথিলোঁ
আসিল লক্ষ্মী বজাই।
ব্ৰহ্মাদিক ত্যজি মোক ভজিলেক
হৃদয়ত দিলোঁ ঠাই॥

হেন লক্ষ্মীপতি আসি তোৰ ঘৰে
কান্দ গুণি আছোঁ ৰই।

ধান্য মুঠি দিয়া ফল কিনি খাওঁ
তাহাত মৰিলি দেই ॥

তাত অনন্তৰে ধন্বন্তৰী ৰূপে
অমৃতৰ ঘট ধৰি।
সাগৰৰ হন্তে বাজ ভৈলোঁ মই
জগত প্ৰখ্যাত কৰি ॥

মোহিনী স্বৰূপে অমৃত পিয়াইলোঁ
সাধিলোঁ দেৱৰ কাম।
তোৰ ঘৰে আসি বৰ যশ পাইলোঁ
লৈলো দধি চোৰ নাম ॥

কপিল স্বৰূপে কৰ্দ্দমৰ ঘৰে
হুয়া মই অৱতাৰ।
দেৱহূতি নামে মাতৃক তাৰিলোঁ
কহিয়া তত্ত্ব বিচাৰ ॥

আৰে আসি মই তয়ু ঘৰে আছোঁ
দেহাক কৰি স্বচ্ছন্দ।
আছোক আমাত জ্ঞান সুধি লৈবা
দিনে ৰাত্ৰি কৰা দ্বন্দ্ব ॥

বামন স্বৰূপে বলকি ছলিলোঁ
বিশ্ব ৰূপ দৰশাইলোঁ।
চৰণৰ নখে কটাহ ফুটাইলোঁ
গঙ্গাক আনি নমাইলোঁ ॥

সেহি পদ জল শিৰত ধৰিল
মহেশে বাটত পায়।
আবে তুমি মোক বিগুটিয়া মাতা
দিয়া মাটি খোৱা দায়॥

হৰি অৱতাৰে গজেন্দ্ৰক মই
মুকুতি পদক দিলোঁ।
যজ্ঞ ৰূপে মই স্বৰ্গক চলিয়া
আপুনি উপেন্দ্ৰ ভৈলোঁ॥

পৃথু অৱতাৰে সাত পৃথিবীৰ
ভৈলোহোঁ এক নৃপতি।
বাপেৰ কালৰ পুত্ৰ পাইলি মোক
মাতস তই বিগুটি॥

দুষ্কৰ তপক আচৰিলোঁ মই
ঋষভ স্বৰূপ হুই।
দত্তাত্ৰেয় নামে যদু নৃপতিক
নিস্তাৰিলো জ্ঞান কই॥

জীৱন্তে ধ্ৰুৱক থাপিলোঁ স্বৰ্গত
এক দিব্য ৰূপ ধৰি।
গোৱালৰ জীৱ হুয়া তুমি মোক
কৰাহা এত চাতুৰী॥

নাৰায়ণ ৰূপে ভাগৱত ধৰ্ম্ম
কৰিলোঁ মই বিদিত।

নৰ নাৰায়ণ ৰূপে তপ কৰি
জগতৰে চিন্তো হিত ॥

আনোঁ যত মোৰ মহিমা আছয়
কহিবাক লাগে কিক।
মই হেন পুত্ৰৰ মাৱ বোলাইবাক
তোমাৰ আছোক ধিক ॥

কিছু কিছু কৰি দেখিয়া আছাহা
তথাপি কৰা আক্ৰোশা
এক ক্ষণিতেকে সুকৃতি উবাইবো
নথাকোক মোৰ দোষ ॥

কাঠ বাঁজী বুলি জগতে হাঁসয়
দেখিলে সুমৰে হৰি।
মই আসি তোৰ ঘৰে পুত্ৰ ভৈলো
সিটো দুঃখ দূৰ কৰি ॥

তথাপি আমাৰ স্নেহ নজানস
নকৰ মোত বিশ্বাস।
আগে যে আছিলি তেনয় কৰিবোঁ
দিন চাৰি বাট চাস ॥

মোহোৰ মুখত লাজ লাগে বড়
তোমাৰ গুণ কহন্তে।
দুই ওষ্ঠ ফাটি তেজ বহি যায়
বাঁশৰ বাঁংশী বজান্তে ॥

ছৰাতি সোণাৰ বাঁশী গঢ়াই নেদ
ৰাজ পটেশ্বৰী হুই।
গাঁতত পোটন্তে পেটাৰি বান্ধন্তে
ধনত লাগিবে জুই॥

গৰু ঝাকক লাগি অন্ন দি পঠাপ
সিয়ো হোৰে এক মুষ্টি।
এক গ্ৰাস খাইলে আউৰ গ্ৰাস নাটে
যাওঁ আধা পেটী উঠি॥

গৰু আগুৰন্তে ধাতু যায় মোৰ
কণ্টক বনৰ সান্ধি।
চৌপৰ দিনতো লৱড়িয়া ফুৰো
নটুৱা টনাক পিন্ধি॥

কুট কুৰা চুলি পড়ে গৰু ধূলি
কুকুহা পড়িয়া যাই।
গেটা গুটি কৰি জণ্টা বান্ধিলেক
তৈলে মাথা দেখা নাই॥

কথাক কহন্তে ক্ৰন্দন আসয়
যত অপমান পাওঁ।
যেতে হওঁ মই সিবাপৰ পুত্ৰ
তোক তেবে কন্দুৱাও॥

কংস মমা মোৰ সাৰথি আছয়
আমাক নিব মতাই।
ইটো অপমান সকলে সুজিবোঁ
মথুৰা পুৰাক যাই॥

দৈৱকী আইত মোৰ বৰ লুলি
থাকিবোঁ তাহান পাশ।
আমাক দেখিবে লাগিয়া তোমাৰ
হৈবে বৰ হাবিয়াস॥

কৃষ্ণৰ বচন শুনিয়া যশোদা
পুত্ৰু মাতে পাশ চাপি।
এৰ হাবিয়াস মোর মাথা খাস
নকান্দিবা মোৰ বাপী॥

মই অভাগীৰ ইবাৰ দোষক
মৰশিয়ো বনমালী।
আন কাল যদি দোষ দেখা মোৰ
পাৰিবাহা মোক গালি॥

মাৱৰ কাৰুণ্য বচন শুনিয়া
সন্তোষিত ভৈল মন।
এক ডেৱে গৈয়া কোলাত চৰিয়া
পিবাক লাগিল স্তন॥

পৰম আনন্দে থাকিলন্ত কৃষ্ণ
চাৰু দন্ত দৰশাই।
ব্ৰহ্মাণ্ডৰ সুখে থাকিল যশোদা
কৃষ্ণৰ বদন চাই॥

শুনা সভাসদ হুৱা নিশবদ
শিশু গোবিন্দৰ কেলি।
কৃষ্ণৰ অৰুণ চৰণ পঙ্কজ
কৰিবা মনে সেৱলি॥

শ্ৰীধৰ কন্দলি কহে কৃষ্ণ কেলি
কৃষ্ণৰ ভকতি কাম।
গুচোক দুৰ্গতি মিলোক মুকুতি
পূৰ্ণ হৌক মনস্কাম॥

কৃষ্ণৰ চৰিত্ৰ সাক্ষাতে অমৃত
পিয়োঁ আক কৰ্ণ ভৰি
খণ্ডিবে আপদ মিলিবে সম্পদ
ডাকি বোলা হৰি হৰি॥

অন্ত

জাননী

আমাৰ ওচৰত তলত নাম দিয়া কিতাপখিনি সস্তাত পাব। তা বাহিৰেও অন্যান্য সকলো পুথি পাব। স্কুলীয়া লৰাৰ কাগজ, কলম কিতাপ আদি সকলো আৱশ্যকীয় বস্তু সস্তাত পাব। ভিঃ পিঃ ডাক মাল পঠোৱা হয়।

কীৰ্ত্তন (কঠিনশব্দৰ অৰ্থ সহ পকাবন্ধা দশাৱতাৰ ছবিসহ)	২॥০	থমিয়াকৰতি	॥০
ঐ কেচা	২৲	সীতাবনবাস	॥
নামঘোষা	৸০	ৰামবনবাস	॥
শ্ৰীৰাম কীৰ্ত্তন (ছবিসহ)	১৲	বহুৱা শিক্ষা	।৵
বিৰাটপৰ্ব্ব	১।০	বালীবধ	।৵০
ঘোষৰমালিকা	১৴০	ধ্ৰুবচৰিত্ৰ	।৵০
শান্তিপৰ্ব্ব কেচা	১৲	উদ্যোগপৰ্ব্ব	৷০
শান্তিপৰ্ব্ব পকা	১।০	ৰামমালিকা	॥৵০
শকুন্তলা (পদ্য)	৸০	সমাজকথা	।৵০
শ্ৰীশ্ৰীশঙ্কৰদেৱ (পদ্য)	৸০	কুকুৰিকনাৰ আঠমঙ্গলা	।৵০
বৈষ্ণৱী কীৰ্ত্তন	॥০	গূঢ়কথা	।৵
কুমৰহৰণ	॥০	ন'ঘাৰা	।৴
বৰগীত	॥০	ডাকচৰিত্ৰ	।০
কানখোৱা	৵০	ভীমচৰিত্ৰ	।০
লক্ষ্মীচৰিত্ৰ	/৩	স্যমন্তহৰণ	৵০
		অৰ্জ্জুনসংবাদ	৷

লীলামালা ৵০

মেনেজৰ—বৰকটকী কোম্পানী যোৰহাট (আসাম)